আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, FEBRUARY 11, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪৫ Guwahati, Assam ।। মূল্যঃ এটকা


শংকৰদেৱ সংঘৰ অধিৱেশনত মুখ্যমন্ত্ৰী

# শংকৰদেৱ সংঘৰ অধিৱেশনত আজমলক লৈ ভাষণ মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ৰঙিয়া, ১১ ফেব্ৰুৱাৰীঃ** কামৰূপৰ ৰঙিয়াত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৩ সংখ্যক অধিৱেশনৰ শেষ দিনটোত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেইবাহাজাৰ পদাধিকাৰ, ভকত-বৈষ্ণৱ, বাপ-বান্ধৱৰ আশীষগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ শেষাংশ ২ পৃষ্ঠাত

# দিল্লী কঁপাবলৈ আকৌ সাজু হৈছে দেশৰ কৃষক!

## আন্দোলন বন্ধ কৰিববলৈ তৎপৰ মোদী চৰকাৰ

নতুন দিল্লী, ১১ ফেব্ৰুৱাৰীঃ পুনৰ দেশৰ কৃষকে আৰম্ভ কৰিব বিদ্ৰোহ। চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰি ৰাজপথলৈ ওলাব কৃষক। কৃষক বিদ্ৰোহে দিল্লীক চিন্তিত কৰাৰ লগতে বিদ্ৰোহ দমনৰ বাবে মোদী চৰকাৰে সকলো ব্যৱস্থা কৰা দেখা গৈছে। দিল্লী অভিমুখী কৃষকক ছত্ৰভংগ দিয়াবলৈ নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ লগতে পথত বেৰিকেড লগাবলৈ আৰম্ভ কৰিছে। ১৩ ফেব্ৰুৱাৰীত কেইবাখনো শেষাংশ ২ পৃষ্ঠাত


দিল্লীত কৃষকৰ আন্দোলনক ভেটা দিবলৈ এনেকৈ সাজু কৰা হৈছে বেৰিকেড

## প্ৰি-পেইড মিটাৰ!

# ৰেহাই মূল্যত মন্ত্ৰী-আমোলাই নাপাব বিদ্যুৎ

**ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ** এতিয়াৰ পৰা মন্ত্ৰী-আমোলাই নাপাব বিনামূলীয়া ৰাজসাহায্যযুক্ত বিদ্যুৎ। চৰকাৰী বিষয়া আৰু মন্ত্ৰীয়ে ৰাজ্যৰ আন হিতাধিকাৰীৰ দৰেই বিদ্যুতৰ বিল পৰিশোধ কৰিব লাগিব শেষাংশ ৩ পৃষ্ঠাত

## পুনৰ সভাপতি

# অগপত অতুলৰাজ অব্যাহত

**ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ** ১১ বছৰে সভাপতি পদত থকা অতুল বৰা অসম গণ পৰিষদৰ শীৰ্ষ পদবীত পুনৰ অধিষ্ঠিত হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল শেষাংশ ৩ পৃষ্ঠাত

# ইণ্ডিয়া শক্তিশালীঃ পাইলট

**নতুন দিল্লী, ১১ ফেব্ৰুৱাৰীঃ** ইণ্ডিয়া মিত্ৰজোঁটক লৈ প্ৰথমবাৰ মুখ খুলিছে ৰাজস্থানৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী শচীন পাইলটে। কোনো এক সদস্যই ইণ্ডিয়া মিত্ৰজোঁট এৰি গৈ এনডিএত যোগ দিলেই শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লী কঁপাবলৈ আকৌ

ৰাজ্যৰ কৃষকে কিষাণ মৰ্চা, কিষাণ মজদুৰ মৰ্চাকে ধৰি ২৬টা কৃষক সংগঠনৰ উদ্যোগত পদযাত্ৰা কৰি দিল্লীলৈ আহিব৷ কৃষকসকলে নিম্নতম সমৰ্থন মূল্য (এমএছপি) নিশ্চিত কৰা আইনৰ দাবী জনাইছে৷ স্বামীনাথন আয়োগৰ পৰামৰ্শ, কৃষক আৰু খেতিয়ক-শ্ৰমিকসকলৰ বাবে পেন্সন, কৃষি ঋণ ৰেহাই, আৰক্ষীৰ গোচৰ প্ৰত্যাহাৰ আৰু লখিমপুৰ খেৰী হিংসাৰ ভুক্তভোগীক ন্যায় দিয়াৰ কৰাৰ দাবী জনাইছে। ১৩ ফেব্ৰুৱাৰীত কৃষকে আন এক আন্দোলন ঘোষণা কৰাত দিল্লী আৰক্ষীয়ে উত্তৰ প্ৰদেশ সীমান্তত অপৰাধ প্ৰক্ৰিয়া বিধিৰ ১৪৪ ধাৰা জাৰি কৰিছে৷ অপ্ৰীতিকৰ ঘটনা ৰোধ আৰু আইন-শৃংখলা বজাই ৰাখিবলৈ আৰক্ষীয়ে এই ব্যৱস্থা কৰিছে৷ দাবী পূৰণ নোহোৱালৈকে দিল্লীৰ সীমান্তত অনশন কৰাৰ সম্ভাৱনা আছে কৃষকে। দিল্লী, উত্তৰ প্ৰদেশ আৰু উত্তৰ-পূব জিলাৰ অধিকাৰ ক্ষেত্ৰৰ সীমাত ৰাইজৰ সমাৱেশ নিষিদ্ধ কৰা হ'ব। আগ্নেয়াস্ত্ৰ, তৰোৱাল, ত্ৰিশূল, বৰ্শা, লাঠী, ৰড আদিকে ধৰি কোনো ব্যক্তি-প্ৰতিবাদকাৰীক অস্ত্ৰ ল'বলৈ অনুমতি দিয়া নহ'ব বুলি নিৰ্দেশ দিয়া হৈছে। আৰক্ষীয়ে ঘটনাস্থলীত কৃষকসকলক আটক কৰাৰ বাবে সকলো প্ৰচেষ্টা কৰিবলৈ যো-জা চলাইছে। এই আদেশ উলংঘা কৰা যিকোনো ব্যক্তিয়ে ভাৰত দণ্ডবিধি, ১৮৬০ৰ ধাৰা ১৪৪ৰ অধীনত শাস্তি পাব বুলি কোৱা হৈছে৷ পঞ্জাব, হাৰিয়ানাৰ পৰা দিল্লীলৈ নিৰাপত্তাৰ বাবে বাহিৰৰ পৰা ইতিমধ্যে অৰ্ধসামৰিক বাহিনীৰ দুটা কোম্পানী আনিছে চৰকাৰে৷ আইটিবিপি আৰু বিএছএফ মোতায়েন কৰা হৈছে। মুঠ ১১ টা কোম্পানী মোতায়েন কৰিব চৰকাৰে৷ আমি যিকোনো পৰিস্থিতিৰ মুখামুখি হ'বলৈ সাজু দিল্লীৰ মোদী চৰকাৰ৷ উত্তৰ প্ৰদেশৰ পৰা দিল্লীত প্ৰতিবাদকাৰীক কঢ়িয়াই নিয়া ট্ৰেক্টৰ, ট্ৰলী, বাছ, ট্ৰাক, বাণিজ্যিক বাহন, ব্যক্তিগত বাহন, ঘোঁৰা আদিত প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। উত্তৰ-পূব জিলা আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক দিল্লীত প্ৰৱেশ কৰাত বাধা দিবলৈ সকলো প্ৰচেষ্টা কৰিব৷ ইপিনে কৃষক আন্দোলনৰ পূৰ্বেই হাৰিয়ানাত ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে৷ কমেও ৭খন জিলাত ইণ্টাৰনেট কৰ্তন কৰিছে৷ হাৰিয়ানাৰ আম্বালা, কুৰুক্ষেত্ৰ, কাইথাল, জিন্দ, হিছাৰ, ফতেহাবাদ আৰু চিৰচা জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰিছে চৰকাৰে৷ চৰকাৰে জাৰি কৰা নিৰ্দেশ অনুসৰি, ১১ ফেব্ৰুৱাৰী (দেওবাৰে) পুৱা ৬ বজাৰ পৰা ১৩ ফেব্ৰুৱাৰীৰ (মঙলবাৰে) নিশা ১১ বজালৈ সাতখন জিলাত মোবাইল ইণ্টাৰনেট সেৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। দিল্লী-এনচিআৰত কৃষকৰ প্ৰতিবাদৰ মাজতে তিনিজনীয়া কেন্দ্ৰীয় মন্ত্ৰীৰ এটা দলে চণ্ডিগড়ৰ কৃষক সংগঠনসমূহৰ নেতাৰ সৈতে ১২ ফেব্ৰুৱাৰীত এখন বৈঠক কৰিব। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অৰ্জুন মুণ্ডা আৰু নিত্যানন্দ ৰায়ে কৃষক নেতাৰ ওচৰলৈ যাব৷ কৃষকসকলে 'দিল্লী চলো' পদযাত্ৰাৰ পৰিকল্পনা কৰি ৰাজপথলৈ ওলাই আহিব৷ ইয়াৰ দুদিন পূৰ্বে নয়ডা আৰু গ্ৰেটাৰ নয়ডাৰ প্ৰায় ১০০ খন গাঁৱৰ কৃষকে ৰাজপথলৈ ওলাই আহিছিল৷ যাৰ ফলত দিল্লী-এনচিআৰৰ কেইবা ঠাইত যান-বাহন চলাচল স্থবিৰ হৈ পৰিছিল৷ সংসদ অভিমুখে যাত্ৰা কৰিবলৈ অসফল হৈছিল কৃষকসকল৷ ইপিনে ১৬ ফেব্ৰুৱাৰীত সংযুক্ত কিষাণ মৰ্চাকে ধৰি বিভিন্ন কৃষক সংগঠনে ভাৰত বন্ধৰ আহ্বান জনাইছে। লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত কৃষক সংগঠনসমূহে শাসক পক্ষক হেঁচা দিবলৈ চেষ্টা কৰিছে। ১৬ ফেব্ৰুৱাৰীত ভাৰত বন্ধৰ সমান্তৰালকৈ ঔদ্যোগিক ধৰ্মঘট অব্যাহত থাকিব। আন্দোলনকাৰীয়ে কোনো শ্ৰমিককে কাৰখানাত কাম নকৰিবলৈকো আহ্বান জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকৰদেৱ সংঘৰ অধিৱেশনত

সৈতে উপস্থিত থাকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে৷ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই মৰ্মবেদনা প্ৰকাশ কৰি শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ বিৰোধী লোকক কেতিয়াও এই মঞ্চলৈ আদৰণি নজনাবলৈ আহ্বান জনায়৷ এই ক্ষেত্ৰত গভীৰ উদ্বেগ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে বদৰুদ্দিন আজমলৰ দৰে ব্যক্তিক শ্ৰীমন্ত শংকদেৱ সংঘৰ পৱিত্ৰ মঞ্চলৈ নিমন্ত্ৰণ কৰা উচিত নহয়। আজমলৰ দৰে ব্যক্তিসকলক পবিত্ৰ মঞ্চলৈ নিমন্ত্ৰণ প্ৰদান কৰাত গভীৰ আক্ষেপ প্ৰকাশ কৰি যেতিয়া কেতিয়াবা কোনো এটা শাখাই আজমলক আমন্ত্ৰণ জনাই তেতিয়া মোৰ অন্ত কান্দি উঠে৷ মহিলাসকলক সন্মান কৰিব নজনা, মহিলাসকলে সদায় বোৰ্খাত থাকিব লাগে বুলি কোৱা ব্যক্তিজন, মহিলাক সন্তান জন্ম দিয়া যন্ত্ৰ বুলি ব্যক্তিজন শ্ৰীমন্ত শংকৰদেৱৰ অনুষ্ঠানত মঞ্চত উপস্থিত থকাৰ যোগ্য নহয়।শ্ৰীমন্ত শংকৰদেৱ সংস্কৃতি আৰু আধ্যাত্মিক শিক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত গভীৰভাৱে নিমজ্জিত হৈ থকা সংগঠন। অসমৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গুৰুত্বপূৰ্ণ ভূমিকাক স্বীকাৰ কৰে ডঃ শৰ্মাই৷ সংঘক চৰকাৰৰ সহায় কাৰৰ নিশ্চিত দি কৃতজ্ঞতা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীয়ে আৰু কয় যে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সমাজ-সাহিত্য, কলা-ধৰ্ম-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধনৰ মহান উদ্দেশ্য আগত ৰাখি প্ৰতিষ্ঠাকালৰে পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘই নিজস্ব লক্ষ্য আৰু উদ্দেশ্যত একান্তভাৱে ব্ৰতী হৈ বটবৃক্ষত পৰিণত হৈছে৷ নতুন প্ৰজন্মক স্বাৱলম্বী তথা আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ উদ্দেশ্যৰে শ্ৰীমন্ত শংকৰদেৱ সংঘই পৰিচালনা কৰা থ্ৰিফ্ট এণ্ড ক্ৰেডিট কো অপোৰেটিভ ছচাইটীক মূলধনী ব্যয়ৰ বাবে অসম চৰকাৰে ৩ কোটি টকা আগবঢ়োৱাৰ কথা উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে৷ ইফালে, মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পিছতে নিজৰ স্থিতি স্পষ্ট কৰি কয় যে সংঘই কাকো ঘৃণা নকৰে আৰু সকলোকে এক বুলি ভাবে। আজমলক সাংসদ হিচাপেহে মতা হৈছিল বুলিও সংঘৰ বিষয়ববীয়াসকলে কয়। আনহাতে সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাই বেয়া পোৱা কাম শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই নকৰে। সংঘক চৰকাৰৰ পৃষ্ঠপোষকতাৰ প্ৰয়োজন বুলিও তেওঁ উল্লেখ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰেহাই মূল্যত মন্ত্ৰী-আমোলাই নাপাব

বুলি স্পষ্ট কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই৷ অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক শীঘ্ৰে বিষয়াৰ চৰকাৰী আৱাসত প্ৰি-পেইড মিটাৰ লগাবলৈ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশৰ পাছতে সকলো চৰকাৰী আৱাসত প্ৰি-পেইড মিটাৰ লগাব এপিডিচিএলে৷ প্ৰতিটো চৰকাৰী আৱাসত প্ৰি-পেইড মিটাৰ লগাবলৈ সাজু হৈছে বিভাগ৷ মন্ত্ৰী আৰু চৰকাৰী বিষয়াৰ আৱাসৰ পৰা বিদ্যুতৰ বিলৰ নামত মাহেকত কম বিল আদায় দিয়াৰ কথা পোহৰলৈ অহাত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশনা দিছে৷ মিনিষ্টাৰ ক'লনীৰ আৱাসকে ধৰি সকলো চৰকাৰী আৱাসত প্ৰি-পেইড মিটাৰ লগাই বিল আদায় কৰা হ'ব৷ এতিয়াৰ পৰা মন্ত্ৰী-আমোলাই ৰেহাই মূল্যত বিদ্যুৎ লাভ নকৰে সেয়া স্পষ্ট হ'ল৷ মুখ্যমন্ত্ৰীয়ে কয় যে শক্তি এক বৈঠকত বিভাগৰ বিষয়াই জনোৱা মতে মন্ত্ৰী আৰু বিষয়াৰ দৰমহাৰ পৰা অতি নামমাত্ৰ পৰিমাণৰ বিদ্যুৎ বিল আদায় কৰা হয়৷ মন্ত্ৰীৰ চৰকাৰী আৱাস, বিষয়াৰ আৱাসত প্ৰি-পেইড মিটাৰ লগোৱাৰ বাবে বিভাগক নিৰ্দেশ দিয়া হৈছে৷ এই ব্যৱস্থা এই বাবেই কৰিবলৈ দিয়া হৈছে যাতে মন্ত্ৰীকে ধৰি চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে ৰাজ সাহায্যযুক্ত বিদ্যুৎ পাব নোৱাৰে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# অগপত অতুলৰাজ অব্যাহত

কুমাৰ মহন্ত ৰাজ সমাপ্ত হোৱাৰ পাছতে অসম গণ পৰিষদত অতুল বৰা ৰাজ আৰম্ভ হৈছে৷ ২০১৪ চনৰ পৰা অসম গণ পৰিষদৰ দ্বিতীয়গৰাকী সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে৷ অসমৰ অন্যতম আঞ্চলিক দলটোত এতিয়া সৰ্বেসৰ্বা অতুল বৰা৷ আন কোনো নেতাই সভাপতি পদত অধিষ্ঠিত হোৱাৰ কথা ভাবিবই নোৱাৰিব৷ কিয়নো অসম গণ পৰিষদত অতুল বৰা ৰাজ অব্যাহত আছে৷ আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত কেন্দ্ৰীয় দ্বাদশ সাধাৰণ অধিৱেশনত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়ে সৰ্বসন্মতি সাপেক্ষে অতুল বৰাক পুনৰ সভাপতি নিৰ্বাচিত কৰে৷ আজি পুৱাৰে পৰা আৰম্ভ হোৱা অসম গণ পৰিষদৰ কেন্দ্ৰীয় দ্বাদশ সাধাৰণ অধিৱেশনত পুৱা দলীয় পতাকা উত্তোলন কৰে অগপৰ সভাপতি অতুল বৰাই৷ কাৰ্যকৰী সভাপতি কেশৱ মহন্তইশ্বহীদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে৷ সাধাৰণ সম্পাদক প্ৰদীপ হাজৰিকাই সতীৰ্থ সোঁৱৰণ কাৰ্যসূচী মুকলি কৰে৷ সভাপতি নিৰ্বাচিত হোৱাৰ পাছতে অতুল বৰাই অগপক শদিয়াৰ পৰা ধুবুৰীলৈ একমাত্ৰ শক্তিশালী আঞ্চলিক ৰাজনৈতিক দল বুলি দাবী কৰে৷ অসম গণ পৰিষদৰ কৰ্মপন্থা আৰু সক্ৰিয়তাৰ কথা উল্লেখ কৰি অগপ অসমৰ আঞ্চলিক ৰাজনীতিৰ ভৱিষ্যৎ বুলিও কয় বৰাই৷ অগপক আহি থকা দিনবোৰত অধিক সবল ৰূপত আগবঢ়াই নিয়াৰ আহ্বান জনাই কয় বৰাই কয় 'আমাৰ সন্মুখত দুটাকৈ ডাঙৰ ৰাজনৈতিক পৰীক্ষা আছে। প্ৰথম লোকসভা নিৰ্বাচন আৰু তাৰ পাছত পঞ্চায়ত নিৰ্বাচন। দুয়োটা পৰীক্ষাতে আমি ভালকৈ পাছ কৰিব লাগিব। তাৰ বাবে সকলোকে একত্ৰিত হৈ প্ৰস্তুতি চলাবলৈ সভাত আহ্বান জনালো৷ যাতে ২০২৬ৰ নিৰ্বাচনতো দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী হয় আৰু ৰাজ্যৰ ৰাজনীতিত অগপৰ প্ৰভাৱ বৃদ্ধি হয়।' কেন্দ্ৰীয় সাধাৰণ অধিৱেশনত পুনৰ সভাপতি নিৰ্বাচিত হোৱাত প্ৰতিগৰাকী সতীৰ্থ আৰু তৃণমূলৰ কৰ্মীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে অতুল বৰাই। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অতুল বৰাই শুভেচ্ছা জ্ঞাপন কৰে৷ মুখ্যমন্ত্ৰীয়ে কয় যে কেবিনেট সতীৰ্থ অতুল বৰা তৃতীয় কাৰ্যকালৰ বাবে সভাপতি নিৰ্বাচিত হোৱাত অশেষ অভিনন্দন জ্ঞাপন কৰিলো। আমি বিশ্বাস কৰো যে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ (এনডিএ) গুৰুত্বপূৰ্ণ অংশীদাৰ, অন্যতম সতীৰ্থ অগপৰ নতুন নেতৃত্বই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নীতি আৰু অসম সম্পৰ্কত তেখেতে দেখা স্বপ্নক বাস্তৱায়িত কৰাত মিত্ৰ দলটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব৷

# যোৰহাট থানাত ৰাণা গোস্বামী

**ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে আজি সোঁ-শৰীৰে যোৰহাট সদৰ আৰক্ষী থানাত হাজিৰ হয়৷ ৰাণা গোস্বামীৰ সৈতে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ তদাৰকৰ দায়িত্বত থকা কে.বি বাইজুয়ো যোৰহাট সদৰ আৰক্ষী থানাত হাজিৰ হয়৷ ভাৰত জোড়ো ন্যায় যাত্ৰাক লৈ ৰুজু হোৱা গোচৰ সন্দৰ্ভত দীৰ্ঘ সময় তদন্তৰ দায়িত্বত থকা আৰক্ষী বিষয়াই ৰাণ গোস্বামী আৰু কে.বি বাইজুক সোধা-পোছা কৰে৷ আৰক্ষীয়ে পূৰ্বে নিৰ্ধাৰণ কৰি দিয়া তাৰিখত ৰাণা গোস্বামীক থানাত হাজিৰ হোৱা নাছিল৷ জাননী জাৰি কৰিছিল যদিও গোস্বামীয়ে অসুস্থতাৰ দোহাই দি থানাত হাজিৰ হোৱা নাছিল৷ তাৰ পাছতে আজি থানাত হাজিৰ হৈ আৰক্ষীৰ প্ৰশ্নৰ উত্তৰ দিয়া বুলি জানিব পৰা গৈছে৷ উল্লেখ্য যে, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাক লৈ যোৰহাট সদৰ আৰক্ষী থানাত ৰুজু হৈছে গোচৰ৷ ১৮ জানুৱাৰীত পথ নিৰ্দেশনা ভংগ কৰি ন্যায় যাত্ৰা ভুল পথেৰে গৈ বিশৃংখল পৰিৱেশ সৃষ্টি কৰাৰ লগতে ৰাজহুৱা সম্পত্তীৰ ক্ষতি কৰাৰ অভিযোগ আনিছিল আৰক্ষীয়ে৷ ১৮ জানুৱাৰীত পথ নিৰ্দেশনা ভুল হোৱাটো অপ্ৰত্যাশিত আছিল বুলি উল্লেখ কৰে ৰাণা গোস্বামীয়ে। যোৰহাট জিলা কংগ্ৰেছে প্ৰশাসনে নিৰ্ধাৰণ কৰি দিয়া পথেৰে গৈছিল যদিও। হঠাতে একাংশ লোকে পথ সলনি কৰি গড়আলিৰ দিশে আগবাঢ়ি যোৱাত কংগ্ৰেছ নেতৃত্বক সমস্যাত পেলাইছিল বুলি কয় বুলি ৰাণা গোস্বামীয়ে। তদন্তত সকলো ধৰণৰ সহযোগ আগবঢ়াব বুলি আৰক্ষীক কথা দিয়ে ৰাণা গোস্বামীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইণ্ডিয়া শক্তিশালীঃ পাইলট

ইণ্ডিয়া জোঁটবন্ধনত কোনো প্ৰভাৱ নপৰে। টিএমচি বৰ্তমানেও আমাৰ সৈতে আছে। এই দাবী কৰিছে কংগ্ৰেছ নেতা শচীন পাইলটে। পিটিআইক দিয়া এক সাক্ষাৎকাৰত পাইলটে কয় যে বিৰোধী মিত্ৰজোঁট শক্তিশালী আৰু সামূহিক শক্তিক লৈ সজাগ। ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজনৈতিক দৃশ্যপটত এক উন্মত্ত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰি আছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ সৰ্বোচ্চ নেতা মমতা বেনাৰ্জী ইণ্ডিয়া মিত্ৰজোঁটৰ অংশ আৰু তেওঁৰ সৈতে আসন ভাগ-বাটোৱাৰাৰ আলোচনাৰ সময়ত আগবাঢ়ি যোৱাৰ পথত বুলি ব্যক্ত কৰে। শচীন পাইলটে আৰু কয় যে বিজেপিয়ে ৩৭০ খন আসন পোৱাৰ দাবী আৰু এনডিএয়ে ৪০০তকৈ অধিক আসন লাভ কৰাৰ দাবী কৰিছে। এয়া ব্যৱহাৰিক মূল্যায়নৰ সলনি অহংকাৰমূলক বিবৃতি আৰু বাক্যবাণ আছিল। কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীৰ নেতৃত্বত ভাৰত জোড়ো ন্যায় যাত্ৰা ছত্তীশগড়ৰ মাজেৰে পাৰ হৈ গৈছে। এনে পৰিস্থিতিত এই ভ্ৰমণে দলটোৰ নিৰ্বাচনী প্ৰস্তুতিত বিৰূপ প্ৰভাৱ পেলাইছে বুলি চলা চৰ্চাক খাৰিজ কৰে পাইলটে। যাত্ৰা চলি আছে আৰু অন্যান্য বিষয়সমূহ এআইচিচিৰ নেতৃত্ব আৰু ৰাজ্যিক নেতৃত্বই পৰিচালনা কৰিআছে। এই সকলোবোৰ বৈঠক আৰু আলোচনা কংগ্ৰেছ সভাপতি (মল্লিকাৰ্জুন খাৰ্গে)ৰ দ্বাৰা ব্যক্তিগতভাৱে নিৰীক্ষণ কৰা হৈছে। কিছুমান লোকে আমাৰ মিত্ৰতা ত্যাগ কৰিছে। কিন্তু মুঠতে মিত্ৰতা অটুট আছে আৰু অতি সোনকালেই আমি মিত্ৰতাৰ আসন ভাগ-বাটোৱাৰা আৰু ভৱিষ্যতৰ ব্লুপ্ৰিণ্ট ঘোষণা কৰিম। জনতা দল-ইউনাইটেডৰ (জেডি-ইউ) মুৰব্বী নীতিশ কুমাৰ, আৰএলডিৰ জয়ন্ত চৌধুৰী, কংগ্ৰেছক মমতা বেনাৰ্জীৰ আক্ৰমণে 'ইণ্ডিয়া' মিত্ৰতাত প্ৰভাৱ পেলাইছে নেকি বুলি সোধাত পাইলটে কয় 'এনডিএ ত্যাগ কৰা মিত্ৰশক্তিৰ সংখ্যা চাওক।অকালি দল, শিৱসেনা, এআইএডিএমকে, পিডিপি । এনডিএ এৰি যোৱাসকলৰ সংখ্যা 'ইণ্ডিয়া' এৰি যোৱাসকলৰ তুলনাত বহু বেছি। কিন্তু 'ইণ্ডিয়া' মিত্ৰতা শক্তিশালী আৰু মমতা বেনাৰ্জী মিত্ৰতাৰ অংশ। নীতিশ কুমাৰৰ এনডিএত প্ৰৱেশে কৰাত তেওঁৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি পাইলটে কয় যে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সময়ত বিহাৰৰ জনসাধাৰণক উত্তৰ দিব লাগিব। পাইলটে দাবী কৰে যে 'ইণ্ডিয়' আৰু এনডিএৰ মাজৰ প্ৰতিযোগিতাত বিৰোধী মিত্ৰজোঁটৰ প্ৰাধান্য থাকিব। কংগ্ৰেছ নেতাজনে কয় যে 'ইণ্ডিয়া' মিত্ৰতা শক্তিশালী আৰু অতি সোনকালেই বিভিন্ন ৰাজ্যত আসন ভাগ-বাটোৱাৰাৰ ব্যৱস্থা ঘোষণা কৰা হ'ব। বিৰোধী দলসমূহৰ এই মিত্ৰতাই লোকসভা নিৰ্বাচনত বিজেপিৰ বাবে কঠিন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব। গাণিতিক গণনাই দেখুৱাব যে ২০১৯ ৰ নিৰ্বাচনত ইণ্ডিয়াৰ ভোটৰ অংশ ৬০ শতাংশতকৈ অধিক আছিল আৰু এনডিএৰ ভোটৰ অংশ আছিল প্ৰায় ৩৫ শতাংশ। সেয়েহে শাসকীয় দলে কেন্দ্ৰীয় সংস্থা, প্ৰচাৰ বা চাপ ব্যৱহাৰ কৰি 'ইণ্ডিয়া' মিত্ৰতা যাতে একত্ৰিত নহয় সেয়া নিশ্চিত কৰিবলৈ চেষ্টা কৰি আছে। বিজেপিৰ এই প্ৰচেষ্টা নিষ্ফল হ'ব। পাইলটে আৰু কয় যে বিজেপি চিন্তিত হোৱাৰ কাৰণ আছে আৰু সেয়েহে ৰাজনৈতিক পৰিস্থিতিত এক উন্মত্ত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়াকৈ সংসদত দাবী কৰিছিল যে বিজেপিয়ে ৩৭০ খন আসন লাভ কৰিব আৰু এনডিএয়ে ৪০০ তকৈ অধিক আসন লাভ কৰিব। মোডীৰ মন্তব্যৰ সঁহাৰি দি পাইলটে কয় যে সংসদ নীতি আৰু আইনৰ বিষয়ে আলোচনা কৰা মঞ্চক কেৱল ৰাজনৈতিক ভাষণৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

# আচাৰ্য প্ৰমোদ কৃষ্ণমক বহিষ্কাৰ

**নতুন দিল্লী, ১১ ফেব্ৰুৱাৰীঃ** প্ৰিয়ংকা গান্ধীৰ ঘনিষ্ঠ জ্যেষ্ঠ কংগ্ৰেছ নেতা আচাৰ্য্য প্ৰমোদ কৃষ্ণমক ছয় বছৰৰ বাবে নিলম্বন কৰিছে কংগ্ৰেছে। কেইবামাহ ধৰি বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি পাকে-প্ৰকাৰে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি আহিছিল। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছৰে পৰা আচাৰ্য্য প্ৰমোদ কৃষ্ণমৰ সুৰ সলনি হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ প্ৰশংসা, বিজেপিৰ নেতাক সাক্ষাৎ, বিজেপি নেতাৰ আধাৰশিলা স্থাপন কাৰ্যসূচীত উপস্থিত থকা কংগ্ৰেছে অনুশাসনহীনতা বুলি বিবেচনা কৰি এই সিদ্ধান্ত লয়। তাৰ পাছতে কংগ্ৰেছে আচাৰ্য্য প্ৰমোদ কৃষ্ণমক দলৰটোৰ পৰা বিদায় দিয়ে। আচাৰ্য প্ৰমোদ কৃষ্ণমে বিজেপিত যোগদানৰ চৰ্চা চলিছে। আচাৰ্য প্ৰমোদ কৃষ্ণমে ছাত্ৰ জীৱনৰ পৰাই কংগ্ৰেছৰ সৈতে জড়িত। ১৯৮৫ চনৰ পৰাই কংগ্ৰেছত সক্ৰিয় ৰাজনীতি আৰম্ভ কৰিছিল। ১৯৯৩ চনত সম্ভাল বিধানসভা সমষ্টিৰ পৰা কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনোনয়ন দাখিল কৰিছিল, কিন্তু মনোনয়ন প্ৰত্যাহাৰ কৰিব লগা হৈছিল। যুৱ কংগ্ৰেছতো দায়িত্ব পালন কৰিছিল। ২০১৪ চনত সম্ভাল লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ২০১৯ চনত লক্ষ্ণৌৰ পৰা কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰিছিল। আচাৰ্য প্ৰমোদ কৃষ্ণমে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিছিল আৰু শ্ৰী কল্কি ধামৰ আধাৰশিলা স্থাপন অনুষ্ঠানৰ বাবে আমন্ত্ৰণ জনাইছিল। অৱশ্যে, দীৰ্ঘদিন ধৰি কংগ্ৰেছৰ অফিচিয়েল লাইনৰ বাহিৰত বক্তব্য ৰাখি আহিছিল। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকো সাক্ষাৎ কৰি আমন্ত্ৰণ জনাইছিল। একে সময়তে ৰাম মন্দিৰত ৰাম লাল্লাৰ অভিষেকৰ সময়ত প্ৰমোদ কৃষ্ণমৰ বক্তব্য যথেষ্ট আলোচিত হৈছিল।




# বিটিআৰত প্ৰথমবাৰৰ বাবে বিজেপি-ইউপিপিএলৰ যৌথ সভা

**ই-সংবাদ, ওদালগুৰি, ১১ ফেব্ৰুৱাৰীঃ** বিটিআৰৰ দুটাকৈ লোকসভা সমষ্টি ক্ৰমে কোকৰাঝাৰ আৰু দৰং-ওদালগুৰিত আমি এনডিএ সমৰ্থিত প্ৰাৰ্থীয়ে বৃহৎ জয় সাব্যস্ত কৰিম। নৰেন্দ্ৰ মোদীক প্ৰধান মন্ত্ৰী বনোৱাৰ স্বাৰ্থত সমষ্টি দুটাত আমাৰ জয় নিশ্চিত। গতিকে দলৰ প্ৰতিগৰাকী কৰ্মকৰ্তাকে নিৰ্বাচনী যুজত জপিয়াই পৰিবলৈ আহ্বান বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা এনডিএৰ সহযোগী ইউপিপিএল দলৰ নেতা প্ৰমোদ বড়োৰ। আজি ওদালগুৰি জিলাৰ সদৰস্থিত বিষ্ণুৰাভা কৃষ্টি সংঘ প্ৰাঙ্গণৰ অনুষ্ঠিত হয় মিত্ৰদল বিজেপি আৰু ইএপিপিএলৰ এখন যৌথ সভা। সভাত উপস্থিত থাকি ভাষণ প্ৰসংগত সাংসদ দিলীপ শইকীয়াই কয়, "ৰাইজৰ আন্তৰিকতাত ইউপিপিএল আৰু জিএছপিৰ সহযোগত বিটিচিত চলিছে ত্ৰিপুল ইঞ্জিন। চৰকাৰৰ আচনিসমূহ এশ শতাংশ ৰাইজৰ ওচৰলৈ নিয়াটোৱেই আমাৰ লক্ষ্য। ২০২০ চনৰ পূৰ্বৰ বিটিচি আৰু বৰ্তমানৰ বিটিচিৰ মাজত আকাশ পাতাল পাৰ্থক্য। আগতে নিশা ৰাজপথলৈ মানুহ ওলাবলৈ ভয় খাইছিল। ঘৰৰ পৰা ওলাই যোৱা মানুহজন নিশা আহি ঘৰ পায় নে নাপায় তাৰ সন্দেহ আছিল। কিন্তু এতিয়া নিৰ্বিঘ্নে জনসাধাৰণে চলা ফুৰা কৰিব পৰা হৈছে। বিটিচিত দুৰন্ত গতিৰে উন্নয়ণ হৈছে। গতিকে আগন্তুক লোকসভা নিৰ্বাচনত যাতে সকলোৱে বিজেপিক ভোটদান কৰে। প্ৰতিটো বুথ সমিতিয়ে নিজৰ বুথটোৰ সৰ্বাধিক ভোট বিজেপিক দিয়াব পাৰিলেহে সেই বুথৰ কাৰ্যকৰ্তাসকলে নিজকে নেতা হিচাপে পৰিচয় দিব পাৰিব। আগন্তুক ২০২৪ চনৰ লোকসভা নিৰ্বাচন আমি জিকাটো নিশ্চিত কিন্তু ইয়াৰ পাছত ২০২৫ আৰু ২০২৬ চনত আছে ক্ৰমে বিটিচি নিৰ্বাচন আৰু বিধানসভা নিৰ্বাচন। গতিকে আহি থকা প্ৰতিটো নিৰ্বাচনতেই আমি জয় হব লাগিব।" গতিকে তেওঁ বিজেপি-ইউপিপিএলৰ কৰ্মীসকলক নিজৰ মাজত প্ৰতিদন্দ্বিতা নকৰি দুয়োটা দলৰ কৰ্মীসকলে এনডিএৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাৰ বাবে আহ্বান জনায়। ইফালে সভাত উপস্থিত থাকি অসমৰ কেবিনেট মন্ত্ৰী অশোক সিংঘালে বিটিআৰৰ দুয়োটা সমষ্টিতে মিত্ৰদল দুটাৰ প্ৰাৰ্থী জয়ী হোৱাৰ দাবী কৰে। তেওঁ কয় "বিটিআৰৰ বিৰোধী দল বিপিএফে লোকসভা নিৰ্বাচনত কাক সমৰ্থন কৰে নকৰে তাত কবলগীয়া নাই। কিন্তু বিটিআৰৰ দুয়োটা সমষ্টিতে যে এনডিএৰ মিত্ৰদলৰ প্ৰাৰ্থী জয়ী হব সেয়া নিশ্চিত।" আজিৰ এই সভাত বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, কেইৱাগৰাকীও বিধায়ক, ইএম, এমচিএলএ, জিলা সমিতিৰ সভাপতিসকল, দুয়োটা দলৰ একাংশ প্ৰাক্তন নেতা উপস্থিত থাকে। লক্ষণীয়ভাৱে আজিৰ এই সভাত জ্যেষ্ঠ বিজেপি নেতা তথা মঙ্গলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাক দেখা নগ'ল।

# গুৱাহাটীৰ বিউটি পাৰ্লাৰত অভিযান, ৬ জনক আটক

ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ দেহ ব্যৱসায় চলোৱাৰ অভিযোগত গুৱাহাটী আৰক্ষীয়ে আজি এখন পাৰ্লাৰত অভিযান চলায়৷ মহানগৰীৰ উলুবাৰীস্থিত ছি ছল্ট স্পা এণ্ড ইউনিচেক্স বিউটি পাৰ্লাৰত অভিযান চলাই মালিকসহ ৬গৰাকী লোকক আটক কৰিছে পল্টন বজাৰ আৰক্ষীয়ে৷ আটক কৰাসকলৰ ভিতৰত ৩গৰাকী মহিলা আছে বুলি জানিব পৰা গৈছে৷ জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত নাৰী দেহ ব্যৱসায় চলাৰ অভিযোগত আৰক্ষীৰ এটা দলে হঠাতে ছি ছল্ট স্পা এণ্ড ইউনিচেক্স বিউটি পাৰ্লাৰত অভিযান চলে৷ এই অভিযানকালত এটা কোঠাৰ পৰা তিনি পুৰুষ আৰু তিনি মহিলাক আটক কৰে। আৰক্ষীয়ে আটক কৰা মহিলাকেইগৰাকী অসমৰ নহয় বুলি জানিব পৰা গৈছে৷ পল্টন বজাৰ আৰক্ষীয়ে পাৰ্লাৰৰ স্বত্বাধিকাৰী নিৰ্মল দত্তকো জিম্মাত ল’ব বুলি জানিব পৰা গৈছে৷

# নিৰ্মল শৈক্ষিক ন্যাসৰ বাৰ্ষিক বক্তৃতানুষ্ঠান সম্পন্ন

## পৰম্পৰাৰ বুকুতে পৰম্পৰাৰ সৃষ্টি আৰু মৃত্যুঃ ড° অনিল শইকীয়া

**ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ** গুৱাহাটীস্থিত নিৰ্মল শৈক্ষিক ন্যাসে প্ৰতিবছৰৰ দৰে এইবাৰো যোৱা ১০ ফেব্ৰুৱাৰীত মহানগৰীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত বাৰ্ষিক বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। নগাঁও বালিকা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° অমিয়া পাটৰৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই বক্তৃতানুষ্ঠানত 'অসমীয়া সাহিত্যৰ সমৃদ্ধিত লোক-কৃষ্টিৰ গুৰুত্ব' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে লোক-সংস্কৃতিৰ গৱেষক তথা মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়াই। শইকীয়াই ভাষণত লোক-পৰম্পৰা, কালক্ৰমত হেৰাই যোৱা বহু গীত, বিহুনাম, আইনামকে ধৰি কেতবোৰ অসমীয়া লোক-কৃষ্টিৰ সমলৰ কথা ভাষণত প্ৰকাশ পায়। লগতে তেওঁ কয়, 'পৰম্পৰাৰ বুকুতে পৰম্পৰাৰ সৃষ্টি হয়, পৰম্পৰাৰ বুকুতে পৰম্পৰাৰ মৃত্যুও হয়।' অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° উপেন ৰাভা হাকাচামে। তেওঁ ভাষণত মাতৃভাষাৰ সংকট-সম্ভাৱনা আদিৰ দৰে বহু স্পৰ্শকাতৰ বিষয় সাঙুৰি লয়। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সহযোগত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়খনৰ ছাত্ৰ কল্যাণ বিষয়া ড° ৰঞ্জনজ্যোতি বেজবৰুৱা। নিৰ্মল শৈক্ষিক ন্যাসৰ সঞ্চালক উৎপল ভৰদ্বাজে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা আৰু মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ছাজিছ আলমে আদৰণি ভাষণ আগবঢ়োৱা এই মননশীল অনুষ্ঠানত ড° ভৈৰৱ চন্দ্ৰ শৰ্মা শাস্ত্ৰীক 'ড° বি আৰ আম্বেদকাৰ স্মাৰক বঁটা' আৰু ড° ভৈৰৱ চন্দ্ৰ শৰ্মা শাস্ত্ৰীক 'সুভাষ চন্দ্ৰ বসু স্মাৰক বঁটা' প্ৰদান কৰা হয়। অনুষ্ঠানত ড° দৰ্শনা বৰুৱা থমাচলৈ 'প্ৰজ্ঞাশ্ৰী' আৰু ড° ৰ'জলীনা কলিতালৈ 'জ্ঞানশ্ৰী', চিন্তু নাথলৈ 'নৃত্যজ্যোতি', নিৰ্মালী কোঁৱৰলৈ 'নৃত্য মাধুৰী' সন্মান আগবঢ়োৱাৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ১৫ গৰাকী শিশু-কিশোৰক নবীন সূৰ্য বঁটা প্ৰদান কৰা হয়। প্ৰায় দুই শতাধিক লোকে অংশগ্ৰহণ কৰা অনুষ্ঠানটিৰ আঁত ধৰে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰী ঋষিকন্যা বি দাসে। অনুষ্ঠানত হৃষীকেশ শইকীয়াৰ 'গোৰা অসমীয়া প্ৰাণ-মন ভৰি', 'সোঁৱৰণী বুকুত জ্বলে' আৰু 'জীৱন জেউতি' শীৰ্ষক গ্ৰন্থও উন্মোচন কৰা হয়।



# বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ




**ই-সংবাদ, কোকৰাঝাৰ, ১১ ফেব্ৰুৱাৰীঃ** বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত যোৱা ৯ ফেব্ৰৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা 'একবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি:পাঠ,পঠন আৰু পটভূমি' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰখন কালি সফল সামৰণি পৰিছে৷ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য অধ্যাপক প্ৰদীপ কুমাৰ পাত্ৰই আলোচনাচক্ৰ খনৰ উদ্বোধন কৰি ভাষণ প্ৰসঙ্গত কয় যে একবিংশ শতিকাত অসমীয়া সাহিত্যই এক নিৰ্দিষ্ট গতি লাভ কৰিছে। ভাষা-সংস্কৃতিৰ আলোচনাৰ ক্ষেত্ৰতো নতুন সম্পৰীক্ষা আৰম্ভ হৈছে, যিটো অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বাবে গুৰুত্বপূৰ্ণ দিশ। আলোচনাচক্ৰৰ আহ্বায়ক তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ চুমী কলিতাই আদৰণি ভাষণ প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানত বিশেষ ভাষণ প্ৰদান কৰে উত্তৰ-পাৰ্বত্য বিশ্ববিদ্যালয়ৰ তুৰা চৌহদৰ ইংৰাজী বিভাগৰ অধ্যাপক ড০ দ্বিজেন শৰ্মাই। সমল ব্যক্তিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড০ প্ৰণীতা দেৱী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক তথা ভোলানাথ মহাবিদ্যালয় অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ উপেন্দ্ৰজিৎ শৰ্মা, অসম বিশ্ববিদ্যালয়ৰ ডিফু চৌহদৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ সত্যজিৎ দাস আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ক্ৰমে ড০ বিভূতি লোচন শৰ্মা আৰু ড০ ৰাতুল ডেকাই। দুদিনত মুঠ পাঁচটা সমান্তৰাল কাৰিকৰী চক্ৰত অনুষ্ঠিত হোৱা আলোচনাচক্ৰ খনত অসমৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গৱেষক-গৱেষিকা আৰু ছাত্ৰ-ছাত্ৰীয়ে পঞ্চাশখনৰো অধিক গৱেষণা পত্ৰ পাঠ কৰাৰ লগতে বিদ্যায়তনিক আলোচনাও সম্পন্ন হয়। ১০ ফেব্ৰুৱাৰীত যুটীয়া সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা দীপামনি বৈশ্যই আঁত ধৰা সামৰণি অনুষ্ঠানত আলোচনা চক্ৰৰ সমন্বয়ক ড০ ডেইজী ৰাণী ডেকাই দুদিনীয়া আলোচনা চক্ৰখনৰ সামগ্ৰিক প্ৰতিবেদন পাঠ কৰে। সামৰণি অনুষ্ঠানত উপস্থিত থাকি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পঞ্জীয়ক ড০ মঞ্জিল বসুমতাৰী, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সঞ্চালক অধ্যাপক ড০ সুজিত ডেকা, চেন্টাৰ ফৰ বড়ো ষ্টাডিজৰ সঞ্চালক ড০ বিনয় কুমাৰ ব্ৰহ্মই অসমীয়া বিভাগৰ এনে বৌদ্ধিক প্ৰচেষ্টাৰ শলাগ লয় আৰু ভৱিষ্যতেও এনে পদক্ষেপ ল'বলৈ উৎসাহিত কৰে। অনুষ্ঠানৰ শেষত সকলো অংশগ্ৰহনকাৰীক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ খনৰ আৰম্ভণিতে প্ৰিয়ঙ্কা কলিতা আৰু শুভবিভাস বিশ্বাসে পৰিৱেশন কৰা সত্ৰীয়া নৃত্যই সকলোকে মুগ্ধ কৰি তোলে৷

শেষ পৃষ্ঠা

# বিহাৰৰ ফলো-অন

**গুৱাহাটী, ১১ ফেব্ৰুৱাৰীঃ** অসমৰ বিৰুদ্ধে ৰঞ্জি ট্ৰফিত বিহাৰে ফলো-অনৰ সন্মুখীন হৈছে। অসমৰ প্ৰথম ইনিংছৰ ৪০৫ ৰানৰ প্ৰত্যুত্তৰত কালিৰ পাঁচ উইকেটত ১৩৪ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি বিহাৰে ৭১.৫ অভাৰত ২০৭ ৰান কৰি প্ৰথম ইনিংছ সামৰে। কালিৰ অপৰাজিত বেটাৰ পৰমজিৎ সিঙে ৫৩ আৰু বীৰ প্ৰতাপ সিঙে ২৮ ৰান কৰে অসমৰ হৈ স্বৰূপম পুৰাকায়স্থই মাত্ৰ ১১ ৰানত চাৰিটা উইকেট দখল কৰে। ইয়াৰ পিছত দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৬১ অভাৰত তিনি উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১৬৮ ৰান। পিয়ুষ সিঙে ৭৯ ৰানত বেটিং কৰি থকাৰ বিপৰীতে বিপুল সৌৰভে কৰে ৪৪ ৰান। দিনান্তত পিয়ুষৰ লগত আঠ ৰান কৰি ক্ৰিজত আছে ঋষভ ৰাজ। অসমৰহৈ মোখতাৰ হুছেইন, ৰাহুল সিং আৰু মৃণ্ময় দত্তই এটাকৈ উইকেট দখল কৰে। হাতত এটা দিন থকা অৱস্থাত অসমৰ প্ৰথম ইনিংছতকৈ ৩০ ৰানত পিছ পৰি আছে বিহাৰ।

# নাগাল চেম্পিয়ন

**চেন্নাই, ১১ ফেব্ৰুৱাৰীঃ** চেন্নাই অপেন এ টি পি চেলেঞ্জাৰ্চ ২০২৪ ৰ চেম্পিয়ন খিতাপ অৰ্জন কৰিছে ভাৰতৰ সুমিত নাগালে। ফাইনেলত বিশ্ব ৰেংকিঙত ১১৪ নম্বৰ স্থানৰ ইটালীৰ লুকা নাৰদিক ৬-১, ৬-৪ ছেটত পৰাস্ত কৰে। উল্লেখ্য যে নাগাল বিশ্ব ৰেংকিঙৰ ১২১ তম স্থানত আছে। ইফালে টুৰ্ণামেণ্টখনৰ ডব'লছৰ ফাইনেলত ভাৰতৰ ৰামকুমাৰ ৰামনাথন আৰু ছাকেথ মায়নেনীৰ যুটি চেম্পিয়ন হৈছে। ফাইনেলত তেওঁলোকে আন এটা ভাৰতীয় যুটি ঋত্বিক বল্লিপল্লী আৰু নিকি পোনাচাক ৩-৬, ৬-৩ আৰু ১০-৫ ৰ ব্যৱধানত পৰাজিত কৰিছে।




## অনুৰ্দ্ধ-১৯ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা

# ভাৰতক হৰুৱাই অষ্ট্ৰেলিয়া চেম্পিয়ন

**বেননী, ১১ ফেব্ৰুৱাৰীঃ** বেননীৰ উইল'মোৰ পাৰ্কত যেন আহমদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামৰ পুনৰাবৃত্তি ঘটিল। অই চি চি বিশ্বকাপ ক্ৰিকেটৰ লেখীয়াকৈ অনুৰ্দ্ধ-১৯ বিশ্বকাপতো আজি ভাৰত অষ্ট্ৰেলিয়াৰ হাতত ৭৯ ৰানত পৰাস্ত হয়। আই চি চি অনুৰ্দ্ধ-১৯ বিশ্বকাপৰ ইতিহাসত এতিয়ালৈকে কোনো দলে একেলেথাৰিয়ে দুবাৰ খিতাপ অৰ্জন কৰা নাই। সেই পৰাম্পৰা ব্যাহত নহ'ল। ভাৰতে ট্ৰফি নিজৰ দখলত ৰাখাত ব্যৰ্থ হ'ল। ভাৰতে ২৫৪ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৪৩.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১৭৪ ৰান। এখনো মেছত পৰাজিত নোহোৱাকৈ ফাইনেলত প্ৰৱেশ কৰা ভাৰতে খিতাপ দখল কৰিব নোৱাৰিলে। ভাৰতৰ হৈ আদৰ্শ সিঙে ৪৭, মুৰাগন অভিষেকে ৪২ আৰু মুছিৰ খানে ২২ ৰান কৰে। অষ্ট্ৰেলিয়াৰহৈ মাহিল বিয়াৰ্ডমেন আৰু ৰাফ মেকমিলানে দখল কৰে তিনিটাকৈ উইকেট। ইয়াৰ পূৰ্বে টছত জয়লাভ কৰি প্ৰথম বেটিং কৰি হৰ্জাছ সিঙৰ ৫৫ অধিনায়ক হিউজ ৱেবগেনে ৪৮ আৰু অলিভাৰ পিকৰ ৪৬ ৰানৰ সহায়ত ২৫৩ ৰান কৰে অষ্ট্ৰেলিয়াই। বলিঙত ভাৰতৰ হৈ ৰাজ লিম্বানীয়ে তিনিটা আৰু নামান তিৱাৰীয়ে দুটা উইকেট দখল কৰে। কেৱল ১৫ ৰানত তিনিটা উইকেট দখল কৰা মাহলি বিয়াৰ্ডমেন ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়। দক্ষিণ আফ্ৰিকাৰ পেচাৰ টুৰ্ণামেণ্টখনত ২১ টা উইকেট দখল কৰা কুইনা মাফাকা শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়। এই খিতাপ জয়ৰে অষ্ট্ৰেলিয়াই চতুৰ্থ বাৰৰ বাবে অনুৰ্দ্ধ -১৯ অই চি চি বিশ্বকাপ জয় কৰে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান